
actionaid

GRAMYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD.-1999

একচনএইড ইণ্টাৰনেচনেল ইণ্ডিয়াৰ সৌজন্যত

## গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত

# "শিক্ষানুষ্ঠানৰ মাধ্যমেৰে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্প, অসম"



বিভিন্ন কাৰক, ঘটনা বা পৰিঘটনাৰ ফলত দুৰ্যোগ হ'ব পাৰে। দুৰ্যোগে মানুহকে ধৰি সকলো জীৱিত বা জড় পদাৰ্থৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়। তেনে ঋণাত্মক প্ৰভাৱ প্ৰতিৰোধ কৰিব পৰা বা এৰাই চলিব পৰা অথবা তেনে পৰিৱেশত মোকাবিলা কৰিব পৰাৰ সক্ষমতা সমাজৰ দুৰ্বলতম মানুহতকৈ আৰ্থিকভাৱে স্বচ্ছল লোক সকলৰ সাধাৰণতে বেছি হোৱা দেখা যায়।

বিপদজনক পৰিবেশ বা অৱস্থাই দুৰ্দশাযুক্ত দুৰ্যোগৰ আশংকা প্ৰকট ৰূপত প্ৰকাশ কৰে। দুৰ্যোগ হ'লে সমাজৰ বা ব্যক্তিৰ দুৰ্দশাৰ মাত্ৰা অধিক বৃদ্ধি হয়। তেনে বিভিন্ন দুৰ্যোগৰ কাৰক বা কাৰণ সমূহৰো ভিন্নতা দেখা যায় আৰু প্ৰায়ভাগ ক্ষেত্ৰতে তেনে কাৰক তথা কাৰণসমূহ জটিল হোৱা দেখা যায়। সেয়েহে দুৰ্যোগৰ আশংকা বা দুৰ্যোগময় পৰিৱেশ-পৰিস্থিতি নোহোৱা কৰাটো একেবাৰে অসম্ভৱ। কিন্তু সাৱধানতা আৰু সজাগতাৰে দুৰ্যোগৰ ফলত হ'ব পৰা হৰণ-ভগন, ক্ষয়-ক্ষতি যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পৰা যায়।

বিগত দিনসমূহ সুক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰাকৃতিক আৰু মানৱ সৃষ্টি দুৰ্যোগ আৰু দুৰ্যোগৰ ফলত জনগণৰ দুৰ্দশা দিনে দিনে বৃদ্ধি পাই আহিছে। আনহাতে, দুৰ্যোগৰ ফলত হ'ব পৰা ক্ষয় ক্ষতি প্ৰশমন বা হ্ৰাস কৰাৰ বাবে জনগণৰ মাজত সাৱধানতা আৰু সজাগতাৰ একেবাৰে অভাৱ।

ব্যক্তি বা সমাজৰ দুৰ্দশা বিভিন্ন কাৰকৰ পৰা বৃদ্ধি হ'ব পাৰে বা বৃদ্ধি হোৱাৰ আশংকা থাকিব পাৰে। প্ৰাকৃতিক দুৰ্যোগৰ উপৰি তেনে দুৰ্যোগৰ প্ৰভাৱত হোৱা সামাজিক, অৰ্থনৈতিক, ভৌগলিক বা একোটা প্ৰজন্মত হোৱা প্ৰক্ৰিয়া অথবা অৱস্থাগত পৰিবৰ্তনৰ ফলতো দুৰ্দশা বৃদ্ধিৰ আশংকা দেখা যায়। এনে অন্তহীন কাৰকে এজন ব্যক্তি বা এখন সমাজক কি কাৰণে প্ৰভাৱান্বিত কৰে, তেনে প্ৰভাৱৰ মাত্ৰা, ৰেহৰূপ ইত্যাদিৰ ওপৰত দুৰ্দশা তথা বিপদৰ আশংকাৰ মাত্ৰা নিৰ্ভৰশীল। কিন্তু এটা কথা স্পষ্ট ৰূপত দেখা যায় যে তেনে প্ৰভাৱত সমাজৰ একাংশ বিশেষ লোক বা এটা বিশেষ শ্ৰেণীৰ লোক সততে অধিক আক্ৰান্ত হোৱা দেখা যায়। কাৰক বা কাৰণ যিয়েই নহওঁক সকলো দুৰ্যোগতে তেনে লোক সকলৰ ক্ষয়-ক্ষতি অধিক হোৱা দেখা যায়, তেওঁলোকেই অধিক জীয়াতুত ভোগে। তেনে ক্ষয়-ক্ষতিৰ প্ৰভাৱ বা প্ৰভাৱৰ মাত্ৰা সমাজত ব্যক্তিজনৰ অৱস্থিতি, শ্ৰেণী, জাতি, গোষ্ঠী, লিংগ, শাৰীৰিক অৱস্থা বা সক্ষমতা, বয়স, জীৱিকা তথা সামাজিক সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়।



জলবায়ুৰ পৰিৱৰ্তনো দুৰ্যোগৰ এক প্ৰলয়ংকাৰী কাৰক হিচাপে চিহ্নিত হৈছে আৰু ইয়ে দুৰ্যোগ তথা বিপদৰ আশংকা অধিক পৰিমাণে বৃদ্ধি কৰা বিষয়ত সমগ্ৰ পৃথিৱীতে একমত পোষণ কৰা পৰিলক্ষিত হৈছে। আমাৰ উন্নয়ন প্ৰচেষ্টা সুষ্ঠিৰতাৰে

অব্যাহত ৰাখিবলৈ হ'লে জলবায়ুৰ পৰিৱৰ্তনৰ ফলত হ'ব পৰা দুৰ্যোগ প্ৰতিহত কৰাটো অতীব প্ৰয়োজনীয় হৈ পৰিছে। ইয়ে উন্নয়নমূলক প্ৰক্ৰিয়াত দুৰ্যোগ প্ৰতিৰোধী ব্যৱস্থাপনা মজবুত কৰণৰ বিষয়ত চিন্তা-চৰ্চা জড়িত কৰাৰ প্ৰয়োজনীয়তা বৃদ্ধি কৰিছে। উন্নয়নশীল তথা অনুন্নত দেশসমূহৰ লগতে সমাজৰ দুখীয়া শ্ৰেণীৰ বিপদ সংকুলতা অথবা দুৰ্দশাৰ আশংকা হ্ৰাস



কৰাৰ বাবে তেনে ধৰণৰ চিন্তা-চৰ্চা সকলো স্তৰতে ত্বৰান্বিত কৰাটো সময়ৰ আহ্বান। জলবায়ু পৰিবৰ্তনে অসমৰ দুৰ্যোগৰ মানচিত্ৰও সলনি কৰিছে। বছৰ বছৰ ধৰি বানপানীত আক্ৰান্ত হোৱা অসমীয়া জনগণে বানপানীৰ পৰিস্থিতিত খাপ খাব পৰাকৈ বা তেনে দুৰ্যোগময় পৰিৱেশত মোকাবিলা কৰিব পৰাকৈ অভিজ্ঞতাৰ ভিত্তিত গঢ় লৈ উঠা কিছুমান পদ্ধতিৰে সক্ষম হৈ থকা দেখা যায়, যাৰ ফলত ভাৰতৰ অন্যান্য প্ৰান্ততকৈ তেনে দুৰ্যোগময় পৰিস্থিতিত তুলনামূলক ভাবে অসমীয়া ৰাইজৰ ক্ষয়-ক্ষতি কিছু হ'লেও কম হোৱা দেখা যায়। কিন্তু জলবায়ুৰ পৰিবৰ্তনৰ দৰে কাৰকৰ ফলত হোৱা বা দেখা দিয়া ভাবুকিয়ে দুৰ্যোগৰ সমগ্ৰ চিত্ৰপট সলনি কৰি দিছে........। এতিয়া অকল বানপানীয়ে আমাৰ বাবে মুখ্য দুৰ্যোগ হৈ থকা নাই, খৰাং সদৃশ পৰিস্থিতি, প্ৰবল ধুমুহা ইত্যাদি ভিন্ন ৰূপত লাহে লাহে তেনে দুৰ্যোগ আমাৰ মাজলৈ আহিছে আৰু ইয়াৰ মাত্ৰা দিনে দিনে বৃদ্ধি হৈ গৈছে। গতিকে, আগন্তুক দিন সমূহৰ ভয়াবহ পৰিস্থিতিৰ সম্ভাৱনীয়তাক উপলব্ধি কৰি আমি আমাৰ সমাজখনক সাজু কৰাটো সময়ৰ আহ্বান আৰু সমাজৰ বাবে সেয়া এক জৰুৰী প্ৰত্যাহ্বান।.....

আমি কোনেও তেনে আহ্বান প্ৰত্যাহ্বান আওকান কৰি থাকিব নোৱাৰো, কাৰণ দুৰ্যোগে যিকোনো মুহূৰ্ততে যাকে-তাকে, য'তে-ত'তে দুৰ্দশাগ্ৰস্ত কৰিব পাৰে, যিয়ে ভৌগলিক আবেষ্টনী কিম্বা উচ্চ-নীচ, জাত-পাত, ধৰ্ম-বৰ্ণ ইত্যাদি একো নামানে। সময়ৰ তেনে আহ্বানৰ সহাৰিৰে সমাজখনৰ সন্মুখত থকা প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ সৱলীকৰণৰ লক্ষ্যৰে আমাৰ এয়া এক সৰল প্ৰয়াস, এক গণ অভিযান.......... "শিক্ষানুষ্ঠানৰ মাধ্যমেৰে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্প, অসম"।

## শিক্ষানুষ্ঠানৰ মাধ্যমেৰে দুৰ্যোগ বিষয়ক প্ৰকল্প কিয় ?

দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰচলিত পদ্ধতি বা নীতিত প্ৰায়ে প্ৰাপ্তবয়স্ক সকলকহে সামৰি লোৱা দেখা গৈছে। এই ক্ষেত্ৰত শিশু সকলৰ প্ৰয়োজনীয়তাক প্ৰায়ে এৰাই চলা দেখা গৈছে। কিন্তু আমি প্ৰত্যেকেই এটা বিষয়ত একমত হ'ব পাৰো যে দুৰ্যোগৰ সময়ত শিশুসকলৰ প্ৰয়োজনীয়তা

স্পষ্টৰূপত বেলেগ, উদাহৰণস্বৰূপে-

১। জৈৱিক, ৰাসায়নিক আৰু তেজষ্ক্ৰীয়জনিত কাৰকত প্ৰাপ্তবয়স্ক সকলতকৈ শিশু সকল সদায় বেছি স্পৰ্শকাতৰ তথা সহজে আক্ৰান্ত হোৱাৰ সম্ভৱনা থাকে।

২। শিশুসকল তেনে ক্ষয়-ক্ষতিৰ ফলত ৰক্তক্ষৰণ হ'লে সুষ্ঠিৰতালৈ আহিবলৈ সক্ষম নহয়।

৩। শিশুসকলৰ পুষ্টিগত উপাদান আৰু পৰিমাণ প্ৰাপ্তবয়স্ক সকলতকৈ বেলেগ।

৪। দুৰ্যোগৰ সময়ত অত্যাৱশ্যকীয় যতন বা আহিলা যেনে নীডল, জীৱনৰক্ষী জেকেট, অক্সিজেন মুখা ইত্যাদিৰ গঠন আৰু মাপ প্ৰাপ্তবয়স্ক সকলতকৈ শিশুসকলৰ বেলেগ হোৱা প্ৰয়োজন।


৫। দুৰ্যোগৰ মুহূৰ্তত শিশুসকলে সময়োপযোগী যুক্তি যুক্ত বা শুদ্ধ সিদ্ধান্ত ল'ব নোৱাৰে।

৬। তেনে মুহূৰ্তত শিশুসকলে সহায় লবও নোৱাৰে, নিজে প্ৰতিৰক্ষা বা প্ৰতিৰোধ কৰিবও নোৱাৰে।

৭। শিশুসকলে নিজৰ মনৰ ভাব ব্যক্ত কৰিব নোৱাৰে আৰু বুজাব নোৱাৰে।

৮। জীৱন বৃদ্ধি আৰু বিকাশৰ প্ৰতিটো ঢাপতে শিশুসকলৰ প্ৰয়োজনীয়তা সলনি হোৱা দেখা যায়। *(যেনে পানীকেচুৱা, শিক্ষানুষ্ঠানত নামভৰ্ত্তি কৰা বয়স, প্ৰাক্ প্ৰাথমিক অৱস্থা, প্ৰাথমিক অৱস্থা, প্ৰাপ্তবয়স্ক ইত্যাদি।)*

গতিকে শিশুসকলকে ধৰি সকলোৰে প্ৰয়োজনীয়তা পুৰাব পৰাকৈ দুৰ্যোগ ব্যৱস্থাপনা বা প্ৰতিৰোধী পদ্ধতি প্ৰয়োগ আৰু তাৰবাবে নীতি নিৰ্দ্ধাৰণৰ প্ৰয়োজন আহি পৰিছে। এই ক্ষেত্ৰত শিশুসকল সততে লগ হোৱা স্থান, যেনে- শিক্ষানুষ্ঠান, শিবিৰ, ক্লাবঘৰ, শিশু উদ্যান, খেলপথাৰ, চিকিৎসালয় ইত্যাদিত বিশেষ গুৰুত্ব দিয়াতো অতীব প্ৰয়োজন। আৰু তেনেধৰণৰ ব্যৱস্থাপনা, নীতি আৰু গুৰুত্ব সকলো স্তৰতে উপলব্ধ কৰাৰ হ'কে এক পৰিৱেশ সৃষ্টিৰ বাবেই এই অভিযানৰ প্ৰয়োজনীয়তা আহি পৰিছে। সেই প্ৰয়োজনীয়তাৰ ভিত্তিতে আৰম্ভ কৰা হৈছে 'শিক্ষানুষ্ঠানৰ মাধ্যমেৰে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্প, অসম'। 'এক্‌চনএইড্ ইণ্টাৰ নেচনেলৰ সৌজন্যত ভাৰতকে ধৰি পৃথিৱীৰ সাতখন দেশত এই প্ৰকল্প ৰূপায়ন কৰা হৈছে। আনকেইখন দেশ হ'ল নেপাল, মালৱৈ, হাইটি, কেনীয়া, ঘানা আৰু বাংলাদেশ। DFID (Department for International Development)আৰু DIPECHO য়ে প্ৰকল্প ৰূপায়নৰ বাবে সাহায্য আগবঢ়াইছে। উক্ত



প্ৰকল্প দুটা পৰ্য্যায়ত আৰম্ভ হৈছে। প্ৰথম পৰ্য্যায়ত বাংলাদেশ, মালবৈ, ঘানা, হাইটি আৰু নেপালত ২০০৬ চনত প্ৰকল্পটি আৰম্ভ কৰা হৈছে। ভাৰত আৰু কেনীয়াত ২০০৭ চনৰ মাৰ্চ মাহত আৰম্ভ কৰা হৈছে।

## প্ৰকল্পৰ মূল লক্ষ্য ঃ

ইয়গো ফ্ৰেমৱৰ্ক কাৰ্য্যকৰী কৰণৰ জৰিয়তে প্ৰাকৃতিক দুৰ্যোগত জনগণৰ বিপদগ্ৰস্ততা হ্ৰাস কৰাত সমৰ্থন তথা সহায় আগবঢ়োৱা।

## প্ৰকল্পৰ উদ্দেশ্য ঃ

বেছি ভাবুকি থকা বিদ্যালয় সমূহ নিৰাপদ কৰা, দুৰ্যোগ প্ৰশমনমূলক কাম-কাজৰ ক্ষেত্ৰত বিদ্যালয় সমূহক এক আদৰ্শ কেন্দ্ৰ হিচাপে গঢ়ি তোলা, শিক্ষা পদ্ধতিত ইয়গো ফ্ৰেমৱৰ্ক অন্তৰ্ভূক্ত আৰু কাৰ্য্যৰূপায়ন কৰা।

## প্ৰকল্পৰ বিশেষ লক্ষ্য সমূহ ঃ

১। বিদ্যালয় সমূহ নিৰাপদ কৰা আৰু বিদ্যালয় তথা পাৰ্শ্বৱৰ্তী এলেকাত দুৰ্যোগৰ ফলত হ'ব পৰা হানি-বিঘিনি তথা অথন্তৰ হ্ৰাস কৰা।


২। দুৰ্যোগৰ ফলত হ'ব পৰা শৈক্ষিক বৰ্ষৰ 'শিক্ষাদিনৰ ক্ষতি' হ্ৰাস কৰা।

৩। ইয়গো ফ্ৰেমৱৰ্কৰ আৰ্হিত পৰিৱেশ, জলবায়ু আৰু ইয়াৰ পৰিবৰ্তনৰ বিষয়ে অধিক মনোযোগ আৰু সজাগতাৰে প্ৰাকৃতিক সুৰক্ষা আৰু সুস্থিৰতাৰ বাবে সমূহীয়া দায়িত্ব, কৰ্তব্য আৰু স্বত্ব বৃদ্ধি কৰা।

৪। শিশু, শিক্ষক, অভিভাৱক আৰু জনগণৰ মাজত অৱস্থাগত ধাৰণা তথা উপলব্ধি বৃদ্ধিৰে আৰু দুৰ্যোগ মোকাবিলাৰ উপযুক্ত পদ্ধতি উদ্ভাৱন আৰু কাৰ্যকৰী প্ৰয়োগেৰে দুৰ্যোগ মোকাবিলা কৰাত স্থানীয় ৰাইজৰ সক্ষমতা বৃদ্ধি কৰা।

৫। দিনে দিনে দেখা দিয়া তথা বৃদ্ধি হৈ থকা দুৰ্যোগৰ আশংকা প্ৰশমনৰ বাবে চৰকাৰী নীতি নিৰ্দ্ধাৰণ আৰু প্ৰয়োগৰ বাবে নীতি নিৰ্দ্ধাৰক সকলক প্ৰভাবান্বিত কৰিব পৰাকৈ কৌশল যুগুতোৱা।

বিশ্বব্যাপী দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ লক্ষ্যৰে কাম কৰি থকা একচ্‌ন এইড হ'ল এটি আন্তৰ্জাতিক সংস্থা। ১৯৭২ চনৰ পৰা এতিয়ালৈকে একচনএইডে বিশ্বৰ ৪২ খন দেশৰ প্ৰায় ১৩ মিলিয়ন অসহায় বা দুৰ্বল মানুহক সহায় আগবঢ়াইছে।



ভাৰতবৰ্ষত এক্‌চন এইডে ২৪ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলত প্ৰায় ৩০০ স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত সেৱা আগবঢ়াই আছে। ভাৰতবৰ্ষৰ আটাইতকৈ বঞ্চিত সম্প্ৰদায় বিলাকৰ অধিকাৰৰ হ'কে একচনএইডে

গুৰুত্বপূৰ্ণ ভূমিকাৰে মাত মাতি আহিছে। দলিত, ভূমিপত্ৰ, মহিলা, শিশু, সংখ্যালঘু, শাৰীৰিক অক্ষম আদি লোকৰ সৈতে, যিসকলে নুন্যতম সেৱা-সম্পদৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে, তেওঁলোকৰ সতে সহযোগী হৈ একচনএইডে সমাজ পৰিৱৰ্তনৰ বাটত আগবাঢ়ি আছে। তদুপৰি অতি স্পৰ্শকাতৰ পৰিস্থিতিত থকা লোক যেনে HIV/AIDS আক্ৰান্ত ব্যক্তি, শাৰিৰীক ভাৱে অক্ষম লোক, বন্ধা-শ্ৰমিক, গৃহহীন শিশু, অনাথ, বিদ্যালয়ৰ আওতাৰ বাহিৰত থকা শিশু, জীৱন জীৱিকাৰ সংকটত থকা নিৰাশ্ৰয় লোক ইত্যাদিৰ সৈতে একচন এইডে বিশেষ ভাৱে কাম কৰি আহিছে। তাৎক্ষণিক স্থল, শিক্ষা ইত্যাদিৰ ব্যৱস্থাকৰণৰ লগতে একচন এইডে সাংবিধানিক, নৈতিক আৰু আইনগত অধিকাৰৰ ভিত্তিত উন্নয়নী প্ৰক্ৰিয়া আগুৱাই নিয়াৰ হ'কে- 'গণ অধিকাৰ'ৰ বিষয়ে সজাগতা আৰু সচেতনতা সৃষ্টিৰ লক্ষ্যৰে কাৰ্য্যৰূপায়ন কৰি আহিছে।

প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণ মুক্ত সমাজ গঢ়া'ৰ লক্ষৰে ১৯৯৯ চনত জন্ম হোৱা 'গ্ৰাম্য বিকাশ মঞ্চ' এটি বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা। জন্মলগ্নৰে পৰা 'গ্ৰাম্য বিকাশ মঞ্চ'ই সমাজৰ বঞ্চিত সকল বিশেষকৈ মহিলা সকলক আৰ্থসামাজিক সৱলীকৰণৰ জৰিয়তে সমাজ পৰিৱৰ্তনৰ দায়িত্ব ল'ব পৰাকৈ উপযুক্ত কৰা আৰু তাৰ জৰিয়তে এনে এখন সমাজ সৃষ্টি কৰা য'ত তেওঁলোক মৰ্য্যদা সহ জীয়াই থাকিব পাৰে, তেনে উদ্দেশ্যৰে সেৱা আগবঢ়াই আছে। অনুষ্ঠানটোত প্ৰায় পাঁচ শতাধিক স্বেচ্ছাসেৱিকা স্বেচ্ছাসেৱকে বিভিন্ন উন্নয়নমূলক কাৰ্য্যত প্ৰত্যক্ষভাবে জড়িত হৈ আছে। নলবাৰী, বাগসা, বৰপেটা আৰু কামৰূপ (গ্ৰামীন) জিলাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানটোৱে সেৱা আগবঢ়াই আছে। গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য কাৰ্য্যালয় ১নং বৰধনৰা, পোঃ অঃ দক্ষিণগাঁও, পিন- ৭৮১ ৩৫০ , জিলা- নলবাৰী (অসম)ত অৱস্থিত। 'দুৰ্যোগ'ৰ মুহূৰ্তত সহায়ৰ বাবে গ্ৰাম্য বিকাশ মঞ্চৰ 'জৰুৰী সেৱা'ৰ বাবে ০৩৬২৪-২৮৩৭৪০ অথবা ৯৮৬৪২৯২৮০৮/৯৮৬৪৩৫৪৮৮৮/৯৭০৭০৯২০৯৯/৯৮৬৪০৩৭১০৫ আৰু ই মেইল gvm_ngo@ sify.com ত যোগাযোগৰ সুবিধা আছে।

## আহক, দুৰ্যোগ প্ৰশমনৰ বাবে একেলগে আগবাঢ়ো।

'গ্ৰাম্য বিকাশ মঞ্চ'ৰ ডেভ্‌ল'পমেণ্ট কমিউনিকেচন চেল'ৰ দ্বাৰা এক্‌চন এইড ইণ্টাৰনেচনেল ইণ্ডিয়াৰ সাহাৰ্য্যত ৰূপায়িত "DRR Through Schools Project, Assam" ৰ অধীনত প্ৰচাৰিত।